**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

আজি অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু। সমগ্ৰ ৰাজ্যতে বিহু উপলক্ষে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। কালি উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু পালনৰ বাতৰি আমালৈ আহি আছে। নামনি অসমৰ বৰপেটাৰ লগতে কোনো কোনো ঠাইত আজি বিহুৰ উৰুকা পালন কৰা হ'ব। কামৰূপ জিলাত ভোগালী বিহু উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গাঁৱৰ ডেকা-বুঢ়াসকলে মেজিত অগ্নিসংযোগ কৰি তামোল-পাণেৰে সেৱা জনায়। জিলাখনৰ বিভিন্ন প্ৰান্তত পুৱা ৯ বজাৰ পৰা কণীযুঁজৰ লগতে কণ-কণ ল'ৰা-ছোৱালী, মহিলা আৰু বয়োজ্যেষ্ঠ সকলৰ মাজত বিভিন্ন খেল-ধেমালিৰ আয়োজন কৰা হৈছে।

শিৱসাগৰ জিলাতো ভোগালী বিহু উপলক্ষে জনসাধাৰণৰ মাজত উছাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। পুৱাতেই গাঁৱৰ ভকত-বৈষ্ণৱ সকলক শৰাই অৰ্পণৰ পৰম্পৰা ৰক্ষা কৰাৰ পাছত মেজি প্ৰজ্বলন আৰু মাহ-প্ৰসাদ বিতৰণ কৰা হয়। ৰাইজে সমাজৰ পৰা অপায়-অমঙ্গল নাশ হোৱাৰ কামনা কৰি গায়ন-বায়ন, খোল-তালৰ মংগল ধ্বনিৰ মাজত মেজিত অগ্নিসংযোগ কৰে। গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাত সম্পূৰ্ণ স্বকীয় ৰীতি-নীতি তথা সত্ৰীয়া পৰম্পৰা অনুসৰি ভোগালী বিহু উদযাপন কৰা হৈছে। ভোগালী বিহুৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন অঞ্চলত পৰম্পৰাগত খেল-ধেমালি আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নগাঁও জিলাৰ নেহৰুবালিত যোৱানিশাৰে পৰা ১১২ সংখ্যক ভোগালী উৎসৱ অনুষ্ঠিত হৈছে। ১৯ জানুৱাৰী পৰ্যন্ত চলিবলগীয়া এই কাৰ্যসূচী কালি সন্ধিয়া ভেলাঘৰত নাম-কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়। বিহু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰূপক শৰ্মাই নেহৰুবালিৰ বিহুথলীত সাজি উলিওৱা হাতী-মানুহৰ সংঘাত শীৰ্ষক প্ৰদৰ্শনীখনৰ দ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে।

ধেমাজি জিলাৰ বৰদলনিৰ বালিজান ভকত গাঁৱৰ যুৱ সমাজৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে একাদশ বাৰ্ষিক ভোগালী বিহু আৰু মাঘি উৎসৱৰ আয়োজন কৰা হৈছে। আজি পুৱা স্বচ্ছ অভিযান, গছপুলি ৰোপণ, মাঘ বিহুৰ প্ৰৱেশ দ্বাৰ উন্মোচন কৰা হয়। এই অনুষ্ঠানত বিভিন্ন খেল-ধেমালি অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীত মাঘ বিহু উপলক্ষে আয়োজিত কেইটামান কাৰ্যসূচীত অংশ ল'ব। জালুকবাৰীৰ সদিলাপুৰত মুখ্যমন্ত্ৰীয়ে আজি দেৱকান্ত কমিউনিটি হ'ল উদ্বোধন কৰাৰ

লগতে গৰলৰ খেলিয়াপাৰাত আয়োজিত মাঘ বিহুৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তদুপৰি গাড়িগাঁৱৰ বৰনামঘৰত অনুষ্ঠিত আন এটা কাৰ্যসূচীতো তেওঁ ভাগ ল'ব।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত মাঘ বিহুত পৰম্পৰাগতভাৱে আয়োজন কৰি অহা ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এইবাৰ অনুষ্ঠিত নহয়। কামৰূপ জিলাৰ জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত জিলাখনত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা বছৰৰ ১৭ ডিচেম্বৰত এখন লেখ আবেদনৰ জৰিয়তে প্ৰদান কৰা চূড়ান্ত ৰায় অনুসৰি ৰাজ্য চৰকাৰে ২০২৩ চনৰ ২৭ ডিচেম্বৰত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজৰ অনুমতি প্ৰদান কৰি জাৰি কৰা অধিসূচনা বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ আৰু আন বন্যপ্ৰাণী সুৰক্ষা আইনৰ সম্পূৰ্ণ উলংঘন বুলি প্ৰকাশ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত মাঘ বিহুৰ সময়ছোৱাত এই আইন উলংঘা হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ে এইক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ত অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰ নিৰ্মাণ সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে। শ্ৰীসোণোৱালে এই ভৱনৰ কামসমূহ নিয়াৰিকৈ আগবঢ়াই নিয়াৰ বাবে বিষয়াসকলক বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে কাজিৰঙাত শেহতীয়াকৈ অনুষ্ঠিত অভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ দ্বিতীয়খন বৈঠকত ঘোষণা কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ ভিতৰত ডিব্ৰুগড়ত ঐতিহ্য ভৱনৰ পুনৰ নিৰ্মাণৰ কথাও অন্তৰ্ভুক্ত আছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হৈ থকা আন কেতবোৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সময়ছোৱাত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ছৈকত পাত্ৰই সংগ দিয়ে।

০০০০০০

ৰাজ্যত অহা মাহত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শীৰ্ষ চৰকাৰী বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই সন্মিলনৰ অভ্যাগতসকলৰ থকা-খোৱাৰ সু-ব্যৱস্থা, সামগ্ৰী যোগান, মহানগৰীখনৰ সৌন্দৰ্য বৰ্ধন আৰু সমগ্ৰ অনুষ্ঠানটোৰ বাবে বিত্ত যোগান বিষয়ত আলোচনা কৰে। এই বিষয়ত সবিশেষ তথ্যৰ বাবে এটা ম'বাইল এপ আৰু ৱেব প'ৰ্টেল মুকলি কৰাৰ বিষয়েও বৈঠকত উল্লেখ কৰা হয়। উল্লেখযোগ্য যে মন্ত্ৰী কেশৱ মহন্তইও কালি এই সন্মিলন সন্দৰ্ভত মালয়েছিয়াৰ উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ কেইবাগৰাকীও প্ৰতিনিধিৰ সৈতে চাৰিখন বৈঠকত মিলিত হয়। বৈঠকৰ পাছত তেওঁ কোৱালালামপুৰত ভাৰতৰ উপ উচ্চায়ুক্ত সুভাষিনী নাৰায়ণনৰ উপস্থিতিত দেশখনৰ সম্ভাব্য বিনিয়োগকাৰী তথা বাণিজ্য আৰু উদ্যোগ খণ্ডৰে জড়িত বিশিষ্ট ব্যক্তিকলক লৈ আয়োজন কৰা এটা ৰোড শ্ব'ত অংশ লয়। এই ৰোড শ্ব'ত ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যম বিভাগৰ সচিব ডঃ লক্ষ্মণন এছ, মালয়েছিয়াৰ ভাৰতীয় দূতাবাসৰ বাণিজ্য সচিব ডঃ অৰবিন্দ, অসমৰ পৰ্যটন সঞ্চালক ৰণোজ বৰকটকীকে ধৰি শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত মালয়েছিয়াৰ ছেমিকণ্ডাক্টৰ খণ্ডৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ সৈতে

**ব্যৱসায়ৰ পৰা চৰকাৰলৈ** শীৰ্ষক এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। প্ৰতিটো কৰ্পৰেট প্ৰতিষ্ঠানৰ শীৰ্ষ কাৰ্যবাহীৰ সৈতে সুকীয়াকৈ অনুষ্ঠিত এই বৈঠকত অসমৰ ছেমিকণ্ডাক্টৰ খণ্ডত বিনিয়োগৰ সম্ভাৱনাৰ অন্বেষণৰ দিশত ফলপ্ৰসূ আলোচনা সম্পন্ন হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমহন্তই বিভিন্ন ঔদ্যোগিক খণ্ডৰ প্ৰতিনিধিসকলক অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়।

oooooo

সমাপ্ত